জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৩৭/২০২২

## অসম আৰক্ষীক ‘ৰাষ্ট্ৰপতিৰ নিচান’ প্ৰদান কৰিলে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে

# ‘ৰাষ্ট্ৰপতিৰ নিচান’ হৈছে জনসাধাৰণৰ প্ৰতি অসম আৰক্ষীয়ে আগবঢ়োৱা নিঃস্বাৰ্থ সেৱা, পেছাদাৰী মনোভাৱ আৰু দায়বদ্ধ আচৰণৰ উৎকৃষ্ট নিদৰ্শন ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ মে’ ঃ** বিগত ২৫ বছৰে ৰাজ্যত প্ৰদান কৰি অহা অনন্য সেৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অসম আৰক্ষীক ‘ৰাষ্ট্ৰপতিৰ নিচান’ সন্মান প্ৰদান কৰে।

উল্লেখযোগ্য যে সন্ত্ৰাসবাদ, অনুপ্ৰৱেশ আৰু বিভিন্ন ধৰণৰ অপৰাধৰ নিয়ন্ত্ৰণৰ লগতে আইন-শৃংখলা বৰ্তাই ৰখা তথা জনসাধাৰণৰ নিৰাপত্তাৰ দিশত আগবঢ়োৱা অনবদ্য সেৱাৰ বাবে ‘ৰাষ্ট্ৰপতিৰ নিচান’ সন্মান লাভ কৰা কেন্দ্ৰীয় শাসিত অঞ্চল দিল্লীকে ধৰি অসম হৈছে দেশৰ দশমখন ৰাজ্য। ইয়াৰ পূৰ্বে উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, হিমাচল প্ৰদেশ, গুজৰাট, হাৰিয়ানা, জম্মু-কাশ্মীৰ, ত্ৰিপুৰা আৰু তামিলনাডুৱে এই সন্মান লাভ কৰাৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চল হিচাপে দিল্লীয়ে এই সন্মান লাভ কৰিছিল।

এই উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম আৰক্ষীৰ ডেৰশ বছৰীয়া ইতিহাসত আজি এক গৌৰৱোজ্জ্বল দিন। অদম্য সাহস, বীৰত্ব আৰু অনন্য বিজয়গাথাৰে উল্লেখযোগ্য কীৰ্তিমান স্থাপন কৰিবলৈ সক্ষম হোৱা অসম আৰক্ষী আজি পুনৰ এক নতুন সন্মানেৰে বিভূষিত হ’ল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম আৰক্ষীয়ে লাভ কৰা সন্মানীয় ‘ৰাষ্ট্ৰপতিৰ নিচান’ হৈছে জনসাধাৰণৰ প্ৰতি অসম আৰক্ষীয়ে আগবঢ়োৱা নিঃস্বাৰ্থ সেৱা, পেছাদাৰী মনোভাৱ, দায়বদ্ধ আচৰণ, দক্ষতা আৰু অনুশাসনৰ এক উৎকৃষ্ট নিদৰ্শন। মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানকে ধৰি প্ৰতিগৰাকী নিষ্ঠাৱান বিষয়া-জোৱানক অভিনন্দন জনোৱাৰ লগতে তেখেতসকলৰ কৰ্ম দক্ষতাৰো শলাগ লয় তথা গুৱাহাটীলৈ আহি অসম আৰক্ষীক এই সন্মান প্ৰদান কৰাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো ধন্যবাদ জ্ঞাপন কৰে।

অসম আৰক্ষী অনন্য সাহস, ত্যাগ আৰু সমৰ্পণৰ প্ৰতীক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা ডেৰশ বছৰে অসম আৰক্ষী বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। অথচ অদম্য সাহস আৰু উৎকৃষ্ট ৰণকৌশলেৰে সকলো প্ৰত্যাহ্বান নেওচি চমকপ্ৰদ সফলতা লাভ কৰিবলৈ অসম আৰক্ষী সক্ষম হৈছে। বিগত দশকবোৰত উগ্ৰপন্থী সমস্যাই ৰাজ্যৰ জনজীৱনত পেলোৱা বিৰূপ প্ৰভাৱৰ আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমাজৰ বিভিন্ন জনৰ দৰে উগ্ৰবাদে অসম আৰক্ষী আৰু অন্যান্য নিৰাপত্তা বাহিনীত কৰ্মৰত ব্যক্তিৰ পৰিয়ালসমূহত মচিব নোৱাৰা শোকৰ চাপ পেলাই গৈছে। উগ্ৰপন্থী সংগঠনৰ তুলনাত প্ৰচুৰ সংযমেৰে বহুতো চৰম পৰিস্থিতিত কাম কৰি পেছাদাৰী আৰু সামাজিক দায়িত্ব পূৰণ কৰিবলগীয়া হোৱা অসম আৰক্ষীৰ বহুতো সীমাবদ্ধতা আছে যদিও এই সকলো প্ৰত্যাহ্বান আৰু সীমাবদ্ধতাৰ মাজত অসম আৰক্ষীৰ কাৰ্যকুশলতা সদায়ে অদ্বিতীয় বুলি তেওঁ কয়। অসম আৰক্ষীত কৰ্মৰত প্ৰতিগৰাকী বিষয়া-জোৱানৰ প্ৰচণ্ড মনোবল, উদ্যম আৰু উগ্ৰপন্থীৰ হাতত ৰাজ্যখন অৰাজক হ'বলৈ এৰি নিদিয়াৰ তেওঁলোকৰ দৃঢ় সংকল্পৰ বাবে কৰ্মক্ষেত্ৰত উচ্চপদস্থ বিষয়াৰ পৰা আৰম্ভ কৰি কনিষ্টবল পৰ্যন্ত বহু মূল্যৱান জীৱন হেৰাই যোৱাৰ পিছতো অসম আৰক্ষীয়ে সাহসেৰে মূৰ তুলি অধিক দৃঢ়তাৰে শান্তি প্ৰতিষ্ঠাৰ যাত্ৰাত আগুৱাই যাবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ দূৰদৰ্শী নেতৃত্ব আৰু বলিষ্ঠ পদক্ষেপ, অসম আৰক্ষীকে ধৰি বিভিন্ন সামৰিক আৰু অৰ্দ্ধসামৰিক বাহিনীৰ চৰম ত্যাগ তথা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ তৎপৰতাত অসম তথা উত্তৰ-পূবলৈ শান্তিৰ পৰিৱেশ উভতি আহিছে। ২০২০ চনত স্বাক্ষৰিত বড়ো শান্তি চুক্তি আৰু যোৱা বছৰ ছেপ্টেম্বৰ মাহত স্বাক্ষৰিত ঐতিহাসিক কাৰ্বি শান্তি চুক্তিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা ২৮ এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে কাৰ্বি আংলঙত উপস্থিত হৈ কাৰ্বি শান্তি চুক্তিত নতুন গতি প্ৰদান কৰিছে। ডিমা হাছাওৰ সকলো উগ্ৰপন্থীসকলে অস্ত্ৰ পৰিহাৰ কৰি শান্তিৰ পথত খোজ দিছে। মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে ১৯৯০ চনৰ পৰা বৰ্তি থকা সেনাবাহিনীৰ বিশেষ ক্ষমতা আইন, অসমৰ ২৩ খন জিলাৰ পৰা সম্পূৰ্ণৰূপে আৰু এখন জিলাৰ পৰা আংশিকভাৱে প্ৰত্যাহাৰ কৰি এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিলে। তেওঁ কয় যে চৰকাৰৰ দৃষ্টিভংগী আৰু উন্নয়নৰ ধাৰা আগুৱাই নিয়াৰ ক্ষেত্ৰতো অসম আৰক্ষীয়ে নিষ্ঠাৰে দায়িত্ব সম্পাদন কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে সন্ত্ৰাসবাদৰ মোকাবিলা কৰাৰ সমান্তৰালভাৱে অপৰাধী, ড্ৰাগছ মাফিয়া আৰু সকলো ধৰণৰ মধ্যভোগীৰ বিৰুদ্ধে শূন্য সহনশীল মনোভাৱ অৱলম্বন কৰাৰ বাবে আৰক্ষীক আহ্বান জনোৱা হৈছিল। অসম আৰক্ষীয়ে নিৰবিচ্ছিন্নভাৱে অপৰাধ আৰু অপৰাধীৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীয়ে

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

কয় যে বিগত এটা বছৰে ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান চলাই অসম আৰক্ষীয়ে ২,৮৩৪টা গোচৰ পঞ্জীয়ন কৰাৰ লগতে ৪,৮৩৮ জনক গ্ৰেপ্তাৰ কৰিছে আৰু প্ৰায় ৫৫০ কোটি টকাৰ ড্ৰাগছ জব্দ কৰিছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে মানৱ সৰবৰাহকাৰী আৰু চোৰাং গো-সৰবৰাহকাৰীৰ বিৰুদ্ধে আৰক্ষীয়ে লোৱা শূন্য সহনশীল পদক্ষেপৰ কথাও উল্লেখ কৰে। আৰক্ষী বাহিনীক আধুনিকীকৰণ কৰাৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত লোৱা ব্যৱস্থাৱলীৰ বিষয়েও আলোকপাত কৰে। আৰক্ষী থানাৰ নতুন ভৱন নিৰ্মাণ, আৰক্ষীৰ গৃহ আৰু বাসস্থানৰ সমস্যাৰ সমাধান আদিৰ দিশত লোৱা ব্যৱস্থাৰাজিৰ কথাও মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে বৰ্তমানৰ আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ক বিশ্বমানৰ আৰক্ষী একাডেমীলৈ উন্নীতকৰণৰ কৰাৰ বাবেও এটি প্ৰকল্প ৰূপায়ণ কৰি আছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অপৰাধ আৰু অপৰাধীৰ বিৰুদ্ধে অসম আৰক্ষী সদায় কঠোৰ হোৱাৰ লগতে সমাজৰ দৰিদ্ৰ আৰু দুৰ্বল শ্ৰেণীৰ বন্ধু হ'ব লাগিব। জনসাধাৰণে যাতে নিঃসংকোচে সকলো সময়তে আৰক্ষী থানালৈ যাব পাৰে তেনে এক পৰিৱেশ অসম আৰক্ষীয়ে গঢ়ি তুলিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ৰাষ্ট্ৰপতিৰ নিচান প্ৰদান উপলক্ষে অনুষ্ঠিত কাৰ্যসূচীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও ভাষণ প্ৰদান কৰে।

ইয়াৰে পিছতে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উলুবাৰীস্থিত আৰক্ষী অতিথিশালাত উপস্থিত হৈ অসম আৰক্ষীৰ জ্যেষ্ঠ বিষয়া আৰু জোৱানসকলৰ লগত এক বৰাখানাত অংশ লয়।

**সুঃদঃ / পুঃডেঃ**
**১০/০৫/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in